

সদৌ অসম আন্তঃ মহাবিদ্যালয়

# সত্ৰীয়া নৃত্য প্ৰতিযোগিতা

দিনাংক ঃ ২২-২৩ জানুৱাৰী, ২০১৭

ডিগবৈ মহাবিদ্যালয়, ডিগবৈ-৭৮৬১৭১

## গোহাৰি

জয় জয়তে ডিগবৈ মহাবিদ্যালয় পৰিয়ালৰ হৈ আপোনালোকক সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ ঐতিহ্যমণ্ডিত ডিগবৈ মহাবিদ্যালয় উজনি অসমৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰনী শিক্ষানুষ্ঠান । আপোনাসবে জানে যে তিনিচুকীয়া জিলাৰ মাঘেৰিটা মহকুমাৰ অন্তৰ্গত "ডিগবৈ" তৈলনগৰী ৰূপে খ্যাত। সমাজ জীৱনক উচ্চ শিক্ষাৰ বস্তিৰে উজলাই তোলাৰ সংকল্প লৈ ডিগবৈত গঢ়ি উঠা মহাবিদ্যালয়খনে ইতিমধ্যে সোণালী বৰ্ষ অতিক্ৰম কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় সমূহৰ ভিতৰত এখনি উল্লেখযোগ্য মহাবিদ্যালয় হিচাপে পৰিগনিত হৈছে। উচ্চ শিক্ষা গ্ৰহণৰ বাবে এই মহাবিদ্যালয়খনত অসমৰ বিভিন্ন স্থানৰ লগতে অৰুণাচল, নগালেণ্ড আদি ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰো সমাবেশ ঘটে । অসমৰ সীমামূৰীয়া অঞ্চলত অৱস্থিত হোৱা স্বত্বেও পৰ্যাপ্ত সুবিধা দানেৰে মহাবিদ্যালয়খনে জন্মলগ্নৰে পৰা প্ৰজ্ঞাসাধনাৰ সৌধ গঢ়ি তোলাৰ এক বিনম্ৰ প্ৰয়াস কৰাৰ লগতে এক সুষ্ঠ শৈক্ষিক আৰু সাংস্কৃতিক বাতাবৰণ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীসকলৰ কলা-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰো নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে ।

সাম্প্ৰতিক সময়ত অসমৰ সত্ৰীয়া সংস্কৃতি সমগ্ৰ বিশ্বতে স্বকীয় ৰূপত উজ্জ্বলি উঠিছে। ইতিমধ্যে ধ্ৰুপদী নৃত্যৰ মান্যতা লাভ কৰা গুৰুজনাৰ মহান সৃষ্টি "সত্ৰীয়া নৃত্য"ক বিশ্ব দৰবাৰলৈ আগবঢ়াই লৈ যোৱাৰ গধুৰ দায়িত্ব আহি পৰিছে নতুন প্ৰজন্মৰ হাতত। এনে এক সন্ধিক্ষণত আমাৰ নৱপ্ৰজন্মক সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰাৰ লগতে ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি ডিগবৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা অহা ইংৰাজী ২২ আৰু ২৩ জানুৱাৰী, ২০১৭ তাৰিখে এখনি সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতা আয়োজন কৰা হৈছে ।

উক্ত প্ৰতিযোগিতাখনিত সক্ৰিয় অংশগ্ৰহণ তথা সহযোগিতা আশা কৰি এই নিমন্ত্ৰণী পত্ৰ আগবঢ়ালো । আশা কৰো আপোনালোকৰ সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শই প্ৰস্তাবিত প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰি তুলিব ।

পুনৰ শ্ৰদ্ধাৰে -

| | |
|---|---|
| *ড° দীপ শইকীয়া* | *পৱন গগৈ / প্ৰদীপ দত্ত* |
| অধ্যক্ষ ও সভাপতি | যুটীয়া আহ্বায়ক |

***সদৌ অসম আন্তঃমহাবিদ্যালয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতা আয়োজক সমিতি***
***ডিগবৈ মহাবিদ্যালয়, ডিগবৈ***

## প্ৰতিযোগিতাৰ বঁটাসমূহ

প্ৰথম পুৰস্কাৰ ঃ নগদ ২০,০০০/- টকা, যোগেন চন্দ্ৰ খাউণ্ড সোঁৱৰণী স্থায়ী বঁটা আৰু প্ৰমাণ পত্ৰ (দাতা ঃ শ্ৰীযুত প্ৰদীপ কুমাৰ খাউণ্ড)

দ্বিতীয় পুৰস্কাৰ ঃ নগদ ১০,০০০/- টকা, নৰেন্দ্ৰ নাথ বৰুৱা সোঁৱৰণী স্থায়ী বঁটা আৰু প্ৰমাণ পত্ৰ (দাতা ঃ ড° বিকাশ কুমাৰ বৰুৱা)

তৃতীয় পুৰস্কাৰ ঃ নগদ ৮,০০০/- টকা, চেনীৰাম বৰা স্থায়ী বঁটা আৰু প্ৰমাণ পত্ৰ (দাতা ঃ ড° বিকাশ কুমাৰ বৰুৱা)

